# মামৰে ধৰা তৰোৱাল

**পটভূমি:**

মামৰে ধৰা তৰোৱাল উপন্যাসখন ১৯৭৯ চনত উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত বন্ধা একোৱেডাক্টৰ শ্ৰমিকসকলৰ আন্দোলন এটাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে। শ্ৰমিকসকলৰ জীৱনচৰ্যাক সম্পূৰ্ণভাৱে জানি লবলৈ মামনি ৰয়ছম গোস্বামীয়ে ৰায়বেৰেলীৰ সাই একোৱেডাক্টৰ শ্ৰমিকসকলৰ মাজত ছয়মাহ বাস কৰিছিল। শ্ৰমিকৰ দুৰ্দশাপূৰ্ণ জীৱনক কেন্দ্ৰ কৰি জীৱন আৰু যন্ত্ৰণাক ঔপন্যাসিকাই এক বিশেষ ৰূপ দিবলৈ সক্ষম হৈছে। সেই সময়ত কোম্পানীয়ে শ্ৰমিকসকলক ফটা জোতাৰ দৰে ব্যৱহাৰ কৰিছিল। ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ মনত বিদ্ৰোহৰ সৃষ্টি হৈছিল আৰু শ্ৰমিক ইউনিয়ন গঠন কৰিছিল। কিন্তু পৰৱৰ্তীকালত তেওঁলোকৰ নিজৰ মাজতেই বিভিন্ন ভেদাভেদে গা কৰি উঠিছে আৰু দূৰদৰ্শিতাৰ অভাৱত সকলো ব্যৰ্থ হৈছে। শ্ৰমিকৰ দুৰ্বল অৱস্থাৰ সুযোগ লৈছে একশ্ৰেণীৰ সুবিধাবাদী স্থানীয় নেতাই।

**কাহিনী:**

মামৰে ধৰা তৰোৱাল উপন্যাসত সাই নদীৰ ওপৰত বন্ধা দলং আৰু কংক্ৰীটক কেন্দ্ৰ কৰি কাহিনী উপস্থাপন কৰা হৈছে। কোম্পানীয়ে প্ৰয়োজন অনুসৰি বিভিন্ন শ্ৰেণীৰ শ্ৰমিক নিয়োজিত কৰিছে। কেৰাণী, মহৰীৰখৰা চুক্তিধৰলোক। উপন্যাসখনত হৰিজনসকলৰ জীৱনৰ দুৰ্দশাৰ ওপৰত অধিক মনোনিৱেশ কৰা হৈছে। অশেষ কষ্ট স্বীকাৰ কৰি পেট প্ৰবৰ্তোৱাৰ স্বাৰ্থত মানুহ যে জন্তুতকৈও অধম হ'ব পাৰে তাকেই স্পষ্ট কৰা হৈছে। অধিকাৰ দাবীৰ বাবে বিভিন্ন সময়ত ধৰ্মঘট পালন কৰা হৈছে নতুন নতুন ইউনিয়ন গঠিত হৈছে। এক শ্ৰেণী লোকে লিডাৰৰ সুবিধা বুজি শ্ৰমিকৰ তেজ শোষণ কৰি নিজৰ পকেট গৰম কৰিছে। মূৰ্খ, অশিক্ষিত শ্ৰমিকসকল দাস্তীয়া মদ আৰু দূৰদৰ্শিতাৰ অভাৱত তিলতিলকৈ নিঃশেষ হৈ গৈছে। চক্ৰৱৰ্তী আৰ্জুন কানুন, দস-সুবিধাবাদী আদৰ্শত ভাগ হৈ গৈছে। এইদৰে শ্ৰমিকক তেতিয়াও

Scanned by CamScanner

আশা কৰা নাই। শ্ৰমিক আৰু মালিকৰ যুদ্ধখনত সেয়ে টাংকু চাহাবৰ প্ৰতাৰণা সহ্য কৰিব নোৱাৰি নাৰায়ণীয়ে নিজ হাতে হত্যা কৰিছে। ৰামু আৰু বামুৱে মদৰ আৰু টকাৰ লালসাত আপোন জাতি অৰ্ত্তুন-বিশ্বাসঘাটকতা কৰিছে। যশোৱন্ত ইমান সহ হৈও চিন্তৈমাৰ বিচ্ছেদ যাব খোজা নাই। অভিজ্ঞতাপূৰ্ণ শম্ভু পালোৱানে শ্ৰমিকৰ ভৱিষ্যতৰ কল্যাণ চিন্তা কৰি টকা-কড়ি গোটোৱাতকৈ আদি কেতি কথা কলো আননি ব্যৰ্থ হৈছে। শাস্ত্ৰী মহোদয়ে শ্ৰমিকক আন্দোলনক ধ্বংসৰ সন্মুখত ঠেলি দি নিজে কোম্পানীৰ লগত বুজাবুজি কৰি ধনৰ ভঁৰাল চহকী কৰিছে। নায়িকা নাৰায়ণী জনে এন বিভূষিতা হৈও বাৰে বাৰে পুৰুষৰ কামনাৰ বলি হৈছে। সমস্ত বিসৰ্জন দিও সুখৰ জীৱন এটি নোপোৱাত দুখ তথা ক্ষোভ মনঃপুতৰ জিদুমান নতুন দিশ নাৰায়ণীয়ে বহন কৰিছে। তেওঁ কোনেদিনে, বসুমতী বুঢ়ীজনে অভিজ্ঞতাই নিৰ্ভৰ কৰি পেলাইছে। লিচু লেখকৰ পুত্ৰেহে মানুহ হিচাপে এক বিশেষ স্থান প্ৰদান কৰিছে। একমাত্ৰ পুত্ৰেক জগন্নাথৰ মৃত্যুৱে সংসাৰৰ শেষ সুখকণো কাঢ়ি লৈ গৈছে। কোম্পানীৰ, ট্ৰেড ইউনিয়ন, পুলিচ, ধৰ্মঘট একোৱেই শোষিত শ্ৰমিকসকলক মুক্তি দিব পৰা নাই। যাবলৈ ঠাই নাপাই জীৱন্ত নৰকংকাল প্ৰেতাত্মা হৈ তেওঁলোক আহাবাটেই অনিশ্চিত ভৱিষ্যতলৈ গতি কৰিছে। কিন্তু ইয়াৰ মাজতো চিৰন্তন প্ৰেমে জয়লাভ কৰিছে। যশোৱন্ত নাৰায়ণীক এৰি থাকিব পৰা নাই। তেতিয়া আহি সকলোবোৰ সমস্যা লৈছে আৰু মূল খলনায়ক শাস্ত্ৰীৰ ওপৰলৈ যি যিখন তৰোৱাল প্ৰদৰ্শন কৰিছে সেইখন সাময়িক হ'ব নাছিল। ইয়াত লেখকেই ইয়াকে কব বিচাৰিছে যে ইমানদিনে ভাল তৰোৱালখন সামৰি থৈছিল কিন্তু এতিয়াৰ পৰা নতুন যুগ নতুন সম্ভাৱনাই লোহৰ বাটেৰে গতি কৰিব।

চৰিত্ৰ:

* যশোৱন্ত – ট্ৰেড ইউনিয়নৰ নতুন লীডাৰ
* বলবীৰ স্বামী – ট্ৰেড ইউনিয়নৰ লীডাৰ
* শাস্ত্ৰী মহোদয় – বেটি গাওঁৰ লোকেল লীডাৰ
* শম্ভু পালোৱান – বয়সস্থ হৰিজন
* শিবু ঢাঙলা – বেমাৰী হৰিজন
* নাৰায়ণী – শিবু ঢাঙলাৰ পত্নী
* ৰামু আৰু বামু – অযোত্তভ ১

Scanned by CamScanner

* লিচু লেঙেৰা – হৰিজন
* জগন্নাথ – লিচু লেঙেৰাৰ পুত্ৰ
* বসুমতী বুঢ়ী – বুঢ়া চুতীয়াৰ ভৃত্যৰ মাতৃ
* কৃষ্ণস্বামী – কোম্পানীৰ একাউন্টেন্ট
* ঠাকুৰ চাহাব – মেটেৰিয়েল ডিপাৰ্টমেন্টৰ চেক্ৰেন অফিচাৰ
* ব্ৰহ্মদেৱ – বৃদ্ধ কৃষক
* চৌধুৰী – ইঞ্জিনিয়াৰ
* শাকিলা বানু ভূপালী – তাৱায়ী

<u>সংলাপ</u>:

মামৰে ধৰা তৰোৱাল উপন্যাসত সংলাপে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে,

১। " ... খানী এয়া বুকুৰ ওপৰেলৈ খানী? আৰু আগুৱাই যাব নোকি তাই? আৰু ত- লৈ যত ভাইৰ আৰু কোনো চিন- চাব নেথাকিব ... ।" (পৃ–৩৯)

২। " তইঁতে আশা দিছ – আমি ভোকেৰে থাকিবলৈ সাজু হৈছো। কিন্তু কিবা কাৰণে যদি আমাৰ আশা পূৰণ নহয় ভেতিয়াহলে সাই নদীৰ বালিত জীয়াই জীয়াই পুতি থম।" (– পৃ-৪০)

৩। " নাৰায়ণী বিশ্বাস আন মনলৈ !! আত্মপ্ৰত্যয় হেৰুৱা মানুহ আৰু মৰা মানুহৰ মাজত কোনো পাৰ্থক্য নাই।" (– পৃ-৭৭)

৪। " আন্দ্ৰীৰ সন্মুখলৈ এটা কঁলা হটঙা মানুহ আগবাঢ়ি আহিল। ৰাতিৰ অন্ধকাৰৰ বুকুত তাৰ হাতৰ তৰোৱাল এখন চিকমিকাই উঠিল। এই তৰোৱাল মামৰে ধৰা নাছিল।" (– পৃ-১১১)

Scanned by CamScanner